# জয়ললিতা আৰু দুজন নিৰ্ভীক ব্যক্তিৰ কথাৰে

যোৱাবছৰৰ শেষৰ দুমাহত তিনিজন অতি নিৰ্ভীক ব্যক্তিৰ মৃত্যুৰ বাতৰিয়ে গুণমুগ্ধসকলক শোকাকুল কৰিছে।

কেইবাবছৰো ধৰি শয্যাশায়ী হৈ থকা ফিদেল কাষ্ট্ৰৰ মৃত্যুৰ বাতৰি অৱশ্যে অপ্ৰত্যাশিত নাছিল। অপ্ৰত্যাশিত নহলেও কোনো কোনো বিশেষ লোকৰ মৃত্যুত মৰ্মাহত হোৱা যায়। যুৱাবস্থাত কাষ্ট্ৰ আমাৰ বাবে এক মহানায়ক আছিল। গৰিলা যুদ্ধ কৰি পূৰ্ব্বৰ স্বৈৰতান্ত্ৰিক শাসকক ক্ষমতাচ্যুত কৰি কিউবাক এক নতুন ৰূপ দিবলৈ সমৰ্থ হোৱা কাষ্ট্ৰই পৃথিবীৰ ইতিহাসতে এক অভিলেখৰ সৃষ্টি কৰিছিলে। প্ৰবল প্ৰতাপী আমেৰিকা যুক্তৰাষ্ট্ৰক সম্পূৰ্ণ মুকলিভাবে অমান্য কৰাৰ সাহসো অতুলনীয়। তেওঁৰ মৃত্যুৰ পিছত এটা কৌতুক পঢ়িবলৈ পাইছিলো। তেওঁ হেনো অংগিকাৰ কৰিছিলে যে আমেৰিকাক ধ্বংস নকৰাকৈ তেওঁ মৃত্যুবৰণ নকৰে। ডনাল্ড ট্ৰাম্প ৰ বিজয়ৰ খবৰ শুনি তেওঁ হেনো "অতি উত্তম! মই এতিয়া নিশ্চিন্ত মনেৰে ইহলোক ত্যাগ কৰিব পাৰো" বুলি কৈ শেষ নিশ্বাস ত্যাগ কৰে।

যোৱা বছৰৰে ৭ ডিচেম্বৰ তাৰিখে এজন অসাধাৰণ প্ৰতিভাশালী আৰু অসাধাৰণভাবে নিৰ্ভীক ব্যক্তি চ' ৰামস্বামীৰ মৃত্যু হয়। তেওঁৰ প্ৰকৃত নাম আছিল শ্ৰীনিবাস আয়াৰ। তেওঁ যিহেতু চ' ৰামস্বামীৰ নামেৰে লিখিছিল সকলোৱে তেওঁক সেই নামেৰেই জানিছিল। তেওঁ বহুমুখি প্ৰতিভাসম্পন্ন ব্যক্তি আছিল যদিও সমগ্ৰ ভাৰতবৰ্ষই তেওঁক 'তুগলক' নামৰ আলোচনীখনৰ সম্পাদক হিচাবেহে বেচিকৈ জানিছিল। মই নিজে তেওঁৰ নাম আৰু তেওঁৰ আলোচনীখনৰ নাম প্ৰথম শুনিবলৈ পাইছিলো জৰুৰীকালিন অৱস্থাৰ সময়ত। সেই সময়ত তেওঁ যথেষ্ট নিৰ্ভীকতাৰ পৰিচয় দিছিল। 'তুগলক'খন তেওঁ নিজে প্ৰতিষ্ঠাপনা কৰি শেষলৈকে সম্পাদনা কৰিছিল। পেশাত তেওঁ উকিল আছিল যদিও তেওঁ জনাজাত আছিল অভিনেতা, বোলছবি নিৰ্দেশক, নাট্যকাৰ, সম্পাদক আৰু ৰাজনৈতিক সমালোচক হিচাবে। তেওঁৰ নিৰ্ভীক, ক্ষুৰধাৰ, নিৰপেক্ষ আৰু গঠনমূলক সমালোচনা বেছ জনপ্ৰিয় আছিল। কোনো ৰাজনৈতিক নেতাকে তেওঁ ৰেহাই নিদিছিল।

কে.আৰ. নাৰায়ণনে তেওঁৰ ৰাষ্ট্ৰপতি কাৰ্য্যকাল চোৱাত চ' ৰামস্বামীক ৰাজ্যসভাৰ এম. পি হিচাবে মনোনয়ন কৰিছিল। ভাৰত চৰকাৰে তেওঁক এই বছৰ মৰণোত্তৰভাবে পদ্মভূষণ পদকেৰে সুশোভিত কৰিছে।

জয়ললিতা প্ৰথমবাৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়চোৱাত তেওঁ কৰা ভুলবোৰ আৰু দুৰ্নীতি আদিৰ বাবে ৰামস্বামীয়ে অতি কঠোৰ সমালোচনা কৰিছিল। পিছৰ কেইবাৰ জয়ললিতায়ে যথেষ্ট

পৰিপক্কতা আৰু পাৰদৰ্শিতাৰ পৰিচয় দিয়াৰ বাবে গঠনমূলক সমালোচনা আগবঢ়াইছিল। বহুত সময়ত জয়ললিতায়ে তেওঁৰ পৰামৰ্শ গ্ৰহণ কৰিছিলে। ৰামস্বামীৰ মৃত্যুৰ লগে লগে এটা কৌতুক শুনিবলৈ পাইছিলো। আঢ়ৈ মাহৰ প্ৰচেষ্টাৰ পিছত জয়ললিতাক লৈ যাবলৈ সক্ষম হ'ল যদিও যম হেনো বৰ বিমোৰত পৰিছিল কাৰণ জয়ললিতাই তেওঁৰ সকলো নিৰ্দেশ অমান্য কৰিছিল। বিবুদ্ধিত পৰি যমে হেনো চিত্ৰগুপ্তৰ পৰামৰ্শ বিচাৰিলে। চিত্ৰগুপ্তই হেনো যমক ক'লে যে মৰ্ত্ত্যত এনে এজন লোক আছে যাৰ কথা জয়ললিতাই শুনে। চিত্ৰগুপ্তৰ পৰামৰ্শমতে যমে লগে লগে চ' ৰামস্বামীক ইহলোকৰ পৰা লৈ গ'ল।

এতিয়া আহো তামিলনাডুৰ প্ৰয়াত মুখ্যমন্ত্ৰী তথা এ.আই.ডি.এম.কে পাৰ্টিৰ নেত্ৰী 'তালাইবি' জয়ললিতাৰ কথালৈ। তেওঁক তামিলনাডুৰ জনসাধাৰণে 'তালাইবি' বুলি সন্মান সহকাৰে সম্বোধন কৰে। শব্দটোৰ ইংৰাজী অৰ্থ হৈছে revolutionary leader। সাম্প্ৰতিক কালত মাত্ৰ দুই ব্যক্তিকহে সেই সম্বোধন কৰা হয় – দ্বিতীয়জন ব্যক্তি হৈছে তামিল চিত্ৰতাৰকা ৰজনীকান্ত। ৰজনীকান্তৰ কথা ক'বলৈ হ'লে নামৰ আগত 'তালাইবা' বুলি কয়। আচলতে শেষৰ 'ব' ধ্বনিটো ইংৰাজীৰ v ধ্বনিৰ দৰে যিটো ধ্বনি অসমীয়াত নাই বাবে 'ব' বুলি লিখিছো। বহুতে এই ধ্বনিটোক 'ভ' ৰ দৰে উচ্চাৰণ কৰে কিন্তু সেইটো ভুল।

তেওঁ কৰ্ণাটকৰ মেলকোটে নামৰ ঠাইত জন্মগ্ৰহণ কৰি শৈশবত মাইচুৰত ডাঙৰ দীঘল হৈ অৱশেষত চেন্নাইৰ স্থায়ী বাসিন্দা হয়। তেওঁৰ ককাক (দেউতাকৰ দেউতাক) মাইচুৰৰ মহাৰাজা জয়চামৰাজেন্দ্ৰৰ ব্যক্তিগত চিকিৎসক হোৱাৰ বাবে ৰাজপ্ৰসাদৰ এজন বিষয়া আছিল। তেওঁৰ পিতৃ জয়ৰাম এজন উকিল আছিল। পিতৃৰ অকাল বিয়োগ হোৱাত মাতৃ বেদৱল্লি (বোলছবিৰ নাম সন্ধ্যা) য়ে ল'ৰাছোৱালী দুটাক লৈ বেংগালুৰুত থকা পিতৃগৃহলৈ গুছি যায়। ৰাজপ্ৰসাদৰ বিষয়া হিচাবে ককাক যথেষ্ট অৱস্থাপন্ন মানুহ আছিল যদিও দেউতাকে সেই সকলোবোৰ ধ্বংস কৰে বুলি জয়ললিতায়ে নিজেই এটা সাক্ষাৎকাৰত কৈছিল। আৰ্থিক দুৰ্যোগৰ বাবে মাকে বোলছবিত অভিনয় কৰিবলৈ লয়। তামিল বোলছবিত অভিনয় কৰিবৰ বাবেই মাক মাদ্ৰাজলৈ গুছি যায়। জয়ললিতা অতি তীক্ষ্ণ বুদ্ধিৰ আৰু মেধাবী ছাত্ৰী আছিল যদিও শিক্ষা সমাপ্ত কৰিব নোৱাৰিলে – আৰ্থিক কাৰণতে মাকৰ হেঁচাত বোলছবিত অভিনয় কৰিবলৈ বাধ্য হৈছিল।

জয়ললিতাই নিজেই কেইবাবাৰো উল্লেখ কৰিছিলে যে তেওঁ বোলছবি জগতখন বৰ বেয়া পাইছিল আৰু সেইদৰেই বেয়া পাইছিল ৰাজনীতিৰ জগতখনো। কিন্তু বিধিৰো এনে বিপাক যে দুয়োখন জগতকে তেওঁ আকোৱালি ল'বলগীয়া হৈছিল। অতি প্ৰশংসনীয় আৰু উল্লেখনীয় কথা এয়ে যে দুয়োখন জগততে তেওঁ কেৱল সাফল্যৰ উচ্চ শিখৰত আৰোহণ কৰাই নহয় – দুয়োখন জগততে স্থায়ী চিন ৰাখি থৈ যাবলৈ সক্ষম হৈছে।

বোলছবিজগতলৈ তেওঁৰ অবদানৰ বিষয়ে মই লিখিব নোৱাৰিম প্ৰধানকৈ এই কাৰণেই যে মই তেওঁৰ এখনো চিনেমা দেখা নাই। মুখ্যমন্ত্ৰী হিচাবেহে মই তেওঁৰ কথা বেছিকৈ জানো।

প্ৰথমবাৰ মুখ্যমন্ত্ৰী হৈ থকা কালছোৱাত তেওঁৰ বিৰুদ্ধে নানান অনিয়ম, দুৰ্নীতি, ক্ষমতাৰ অপপ্ৰয়োগ আদিৰ অভিযোগ থাকিলেও পিছৰ কেইবাৰত তেওঁ পৰিপক্কতা, বিচক্ষণতা আৰু পাৰদৰ্শিতাৰ প্ৰমাণ দিছিল।

তেওঁ অবলম্বন কৰা কেইবাটাও আচনি তামিলনাডুত অতি সফলভাবে কাৰ্য্যকৰী হৈছে। তেওঁ প্ৰথমবাৰ ক্ষমতা লাভ কৰিয়েই অনাথ শিশু বিশেষকৈ কন্যাশিশুৰ বাবে এটা আচনি হাতত লৈছিল যিটোক Cradle Baby Scheme বুলি জনা যায়। দৰিদ্ৰ আৰু বিশেষকৈ অবিবাহিতা মাতৃয়ে সদ্যজাত শিশুক বিশেষকৈ কন্যা শিশুক পৰিত্যাগ কৰি মৃত্যু মুখলৈ ঠেলি দিয়া কাৰ্য্য ৰোধ কৰিবলৈ এই আচনি লোৱা হৈছিল। তেনে শিশুক এৰি থৈ যাবৰ বাবে চৰকাৰী চিকিৎসালয়ত বিশেষ ব্যৱস্থা লোৱা হৈছিল। এই আচনিৰ সাফল্যই আন ৰাজ্যকো বিশেষকৈ কৰ্ণাটককো অনুপ্ৰাণিত কৰিছে। যোৱাবছৰৰ আৰম্ভণিতে কৰ্ণাটক চৰকাৰে 'তট্টেলু ভাগ্য' আচনি আৰম্ভ কৰে। 'তট্টেলু' শব্দৰ অৰ্থ হৈছে কেচুৱা শোৱা সৰু বিচনা।

অতিকৈ সফল হোৱা তেওঁৰ আৰু এখন আচনি হৈছে 'আম্মা কেন্টিন' য'ত মানুহে মাত্ৰ ৫ টকাতে পেট পুৰাই এসাজ খাবলৈ পায়। মই চেন্নাইৰ এখন প্ৰতিষ্ঠানতো পঢ়াবলৈ যাও। মোক তাৰ ছাত্ৰ-ছাত্ৰীসকলে দাঠি কৈছে যে 'আম্মা কেন্টিন' ৰ খাদ্য সাধাৰণ হ'লেও হীন নহয় আৰু যথেষ্ট পৰিষ্কাৰ পৰিচ্ছন্ন। ২০1৪ চনত যাওতে এজনী ছাত্ৰীয়ে প্ৰমাণ চাবৰ বাবে তেনে এখন কেন্টিনলৈ যাবলৈ বৰকৈ লগ ধৰিছিলে। কৰ্ণাটকৰ মুখ্যমন্ত্ৰীয়েও তেনে ধৰণৰ কেন্টিন আৰম্ভ কৰাৰ কথা চিন্তা কৰিছে।

দৰিদ্ৰ লোকৰ বাবে জয়ললিতায়ে বহুতো ভাল কাম কৰিছিলে যিবোৰৰ প্ৰত্যক্ষ সুফল দেখা যায়। নাৰীৰ কল্যানে সদায়েই অগ্ৰাধিকাৰ লাভ কৰিছিল। সেয়ে তেওঁ ছোৱালীৰ বাবে বিনামূলীয়া শিক্ষা আৰম্ভ কৰে। অশিক্ষিতা আৰু অৰ্ধশিক্ষিতা নাৰীৰ স্বাৱলম্বিতাৰ বাবে লোৱা আচনিবোৰ বিশেষভাবে ফলপ্ৰসু। সৰ্বসাধাৰণ মানুহৰ বিশেষকৈ সৰ্বসাধাৰণ নাৰীৰ হৃদয়ত জয়ললিতাই যি স্থান লাভ কৰিবলৈ সক্ষম হৈছিল ভাৰতবৰ্ষৰ আন কোনো নেত্ৰীৰ ক্ষেত্ৰতে তেনে হোৱা দেখা নাযায়। সেয়েহে তেওঁৰ মৃত্যুত অগনন লোকে হিয়াধাকুৰি কন্দাত অস্বাভাৱিকতা নাই।

জয়ললিতায়ে আনুষ্ঠানিকভাবে উচ্চশিক্ষা লাভ কৰা নাছিল যদিও তেওঁ এগৰাকী বিদ্বান মহিলা আছিল কাৰণ তেওঁ যথেষ্ট পঢ়াশুনা কৰিছিল। তেওঁৰ সাধাৰণ জ্ঞানো আছিল অপৰিসীম। তেওঁ যে যথেষ্ট পঢ়াশুনা কৰিছিলে সেই কথা তেওঁক ভালদৰে জনা বহুত মানুহে উল্লেখ কৰিছে। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি হিন্দি বোলছবিৰ তাৰকা ধৰ্মেন্দ্ৰ (তেওঁৰ লগত জয়ললিতায়ে

‘ইজ্জত’ নাম চিনেমাখনত অভিনয় কৰিছিল)য়ে দুটা কথা কৈছিল। জয়ললিতাই হেনো চুটিঙৰ সময়ত নিজৰ ভাত নিজে ৰান্ধি খাইছিল আৰু আনকো তাৰ ভাগ দিছিল। দ্বিতীয়তে চুটিং চলি নথকা সময়ত তেওঁ হেনো সদায় কিতাপ পঢ়িছিল।

জয়ললিতায়ে কেইবাটাও ভাষা সলসলিয়াকৈ ক’ব পাৰিছিল। তাৰ ভিতৰত তামিল, ইংৰাজী, কান্নাড়া, হিন্দী অন্যতম। ভাষাবিজ্ঞানী হিচাবে মই দৃঢ়তাৰে সৈতে কব পাৰো যে তেওঁৰ ইংৰাজীৰ মানদণ্ড বেছ উন্নত আছিল।

তেওঁ ওপৰত উল্লেখ কৰা ‘তুগলক’ নামৰ তামিল আলোচনীখনত নিয়মিয়াকৈ এটা স্তম্ভ লিখিছিল।

মুখ্যমন্ত্ৰী হৈ থকা কালছোৱাত নিজৰ ৰাজ্যখনৰ স্বাৰ্থ জড়িত থকা কোনো কথাতে আপোচ তেওঁ নকৰিছিল। কেন্দ্ৰত যি ৰাজনৈতিক দলেই শাসনত নাথাকক লাগে কোনেও তেওঁক কেতিয়াও হেচা দিব পৰা নাছিল। কাবেৰী নদীৰ পানীৰ ভাগ বতৰা লৈ আজি বহুত দিনৰ পৰাই কৰ্ণাটক আৰু তামিলনাড়ুৰ মাজত বিবাদ চলি আহিছে। যেতিয়াই বিবাদ হয় জয়ললিতা সদায় জিকে কাৰণ সকলো তথ্য আৰু পৰিসংখ্যা তেওঁৰ নখদৰ্পনত থাকে। কৰ্ণাটকত থকা জয়ললিতাৰ সমালোচকসকলেও স্বীকাৰ কৰে যে কৰ্ণাটকৰ মুখ্যমন্ত্ৰীতকৈ তেওঁ কৰ্ণাটকৰ কথা বেছি ভালকৈ জানে।

জয়ললিতা জাতত ব্ৰাহ্মণ আয়েংগাৰ হোৱা স্বত্ত্বেও এটা দ্ৰাবিড় পাৰ্টিৰ সকলোৰে গ্ৰহণযোগ্যা নেত্ৰী হ’ব পৰাটো নিশ্চয় পৰম কৃতিত্বৰ বিষয়। আয়েংগাৰ পৰম্পৰা মতে শৱদাহ কৰা হয়। কিন্তু জয়ললিতাক দ্ৰাবিড় প্ৰথা মতে এম. জি. ৰামচন্দ্ৰণৰ কবৰৰ কাষতে কবৰ দিয়া হৈছে। সেইটো তেওঁৰ পাৰ্টিৰ সিদ্ধান্ত নে তেওঁ জীৱন কালত কৈ গৈছিল জনা নাযায়। কিন্তু সেই কথাত অসন্তুষ্ট হৈ তেওঁৰ মাইচুৰত থকা আত্মীয়সকলে তেওঁৰ চেহেৰাৰ লগত মিলাই এটা পুতলা সাজি আয়েংগাৰ প্ৰথা মতে দাহ কৰে। দ্বিতীয়তে কাবেৰী সংগমত পিণ্ডদান, আদ্যশ্ৰাদ্ধ আদিৰ কাৰ্য্য সম্পন্ন কৰে।

ইতিহাসে জয়ললিতাক কেনেদৰে বিচাৰ কৰে নাজানো কিন্তু এই কথা অনস্বীকাৰ্য্য যে জয়ললিতা এগৰাকী অসাধাৰণ নাৰী আছিল। তেওঁৰ মতৰ লগত মোৰ মত নিমিলিলেও কাৰো ওচৰত কোনো পৰিস্থিতিতে নতশিৰ নোহোৱা এইগৰাকী সাহসী আৰু দৃঢ়মনা নাৰীৰ প্ৰতি মোৰ গুণমুগ্ধতা স্বীকাৰ নকৰিলে কপটাচৰণ কৰা হ’ব।